**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমীত দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা।

২। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা। ঘটনা সন্দৰ্ভত শিল্পীগৰাকীৰ ভাতৃ সন্দিপণ গাৰ্গক এছ্ আই টিৰ জেৰা।

৩। শোকাকুল পৰিৱেশৰ মাজত যোৰহাটৰ ৰাইজৰ হাতত জুবিন গাৰ্গৰ চিতাভস্ম অৰ্পণ। যোৰহাট ষ্টেডিয়ামত কাইলৈ হ'বলগীয়া শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধৰ প্ৰস্তুতি সম্পূৰ্ণ।

*আৰু*

৪। গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি মহিলা বিশ্বকাপ এদিনীয়া ক্ৰিকেটৰ উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি।

০০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমীত দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে  জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ মহা অষ্টমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে।

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰী তাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে। জোনাই সমষ্টিৰ বিধায়ক ভূৱন পেগুৱে আজি ঐতিহাসিক আই থানৰ পূজাত উপস্থিত হৈ দেৱীৰ আশীৰ্বাদ লয়। বিধায়কগৰাকীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত চাকি-বন্তি জ্বলাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। ধেমাজিৰ পৰা আমাৰ সংবাদদাতা হৰেন্দ্ৰ শৰ্মাই এইদৰে কয় –

বাইট

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰী শ্ৰী ঈশ্বৰী হাৰ্হি দেৱালয়ে এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহাষ্টমী উপলক্ষে এই দেৱালয়ত বিভিন্ন স্থানৰ পৰা ভক্তই ভিৰ কৰা পৰিলক্ষিত হৈছে।

**বিশ্বনাথ** জিলাৰ অন্তৰ্গত গহপুৰত অপাৰেচন সিন্দূৰৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে। পেহেলগামৰ হৃদয়বিদাৰক ঘটনাৰ পাছত ভাৰতীয় সেনাৰ সফলতাৰ প্ৰতি শ্ৰদ্ধা জনাই গহপুৰৰ শান্তি ক্লাবে অপাৰেচন সিন্দূৰৰ আৰ্হিৰে পূজা মণ্ডপ নিৰ্মাণ কৰিছে।

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি **গোলাঘাট** চহৰৰ মাজমজিয়াত আয়োজন কৰা কেইবাখনো পূজাস্থলীত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণ কামনা কৰি দেৱী দুৰ্গাৰ চৰণত সেৱা আগবঢ়াইছে।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। বিগত বৰ্ষসমূহৰ দৰে আনন্দ উছাহ নাই যদিও আধ্যাত্মিকতাৰ মাজেৰে এইবাৰ শাৰদীয় পূজা অনুষ্ঠিত হৈছে। শান্তি-সম্প্ৰীতি, সুখ-সমৃদ্ধি আৰু মংগল কামনাৰে দেৱী দৌলত হাঁহ, ছাগলী, কোমোৱা উচৰ্গা কৰি ভক্তই পূজা অৰ্চনা কৰিছে। প্ৰচলিত ৰীতি অনুসৰি মহা অষ্টমীৰ দিনা দেৱী

দৌলৰ চৌহদত শিৱসাগৰৰ পুৰণি মুছলমান দৌল্লা পৰিয়ালত মহা অষ্টমী প্ৰসাদৰ শৰাই আগবঢ়োৱা হয়। ইয়াৰ লগতে আহোম ৰাজ শাসনৰ বিষয়া কনচেং বৰপাত্ৰ গোহাঁইৰ পৰিয়ালকো শৰাই প্ৰদান কৰা হয়।

জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও **ডিব্ৰুগড়** জিলাতো পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে।

**নগাঁও** জিলাত চাৰিশৰো অধিক পূজা সমিতিয়ে এইবাৰ দুৰ্গা পূজাৰ আয়োজন কৰিছে। অৱশ্যে এইবাৰ আনন্দ উল্লাসৰ পৰিৱৰ্তে অনাড়ম্বৰভাৱে দেৱীক আৰাধনা কৰা হৈছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যখনত শাৰদীয় দুৰ্গাপূজাত পূৰ্বৰ উছাহ নাই। শিল্পীগৰাকীৰ মৃত্যুত শোকাচ্ছন্ন হৈ থকাৰ বাবে **বজালীৰ** পূজাস্থলীসমূহতো ভক্তৰ সমাগম হৈছে যদিও কোনোধৰণৰ উছাহ-উদ্দীপনা পৰিলক্ষিত হোৱা নাই। পূজা উদযাপন সমিতিসমূহে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ আশিস বিচাৰি আৰাধনা কৰিবলৈ ৰাইজক ব্যৱস্থা কৰি দিছে।

**বাক্সা** জিলাৰ ৰূপহীত আজি পুৱাৰে পৰা ৭৩ সংখ্যক ৰূপহী আঞ্চলিক সাৰ্বজনীন শ্ৰী শ্ৰী মা দুৰ্গা পূজা মহোৎসৱৰ মহা অষ্টমীত যথেষ্ট ভক্তৰ সমাগম হয়। সমগ্ৰ ৰূপহী অঞ্চলৰ বড়ো, কোচ, কছাৰী, ৰাভা, শৰণীয়া, বঙালী, মদাহি আদি সম্প্ৰদায়ৰ লোকে শ্ৰী মা দুৰ্গাৰ চৰণত সেৱা আগবঢ়ায়। জিলাখনত অনুষ্ঠিত পূজাৰ বিষয়ে আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয় –

বাইট

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত শোকাকুল হৈ **গোৱালপাৰা** জিলাৰ প্ৰতিখন পূজা সমিতিয়ে জাক-জমকতা পৰিহাৰ কৰি আধ্যাত্মিকতাৰ মাজেৰে কেৱল বৈদিক ৰীতি নীতিৰে পূজা অৰ্চনা কৰা দেখা গৈছে। উল্লেখযোগ্য যে জিলাখনৰ ১৪৩ টা পূজা মণ্ডপত এইবেলি দুৰ্গা পূজা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয় আৰু জয়ভুম কামাখ্যা মন্দিৰ অন্যতম। টুক্ৰেশ্বৰী দেৱালয়ত ৰজাদিনীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি দুৰ্গা পূজা পালন কৰা হৈছে।

দৰঙী কোচ ৰাজবংশৰ **মঙলদৈৰ** ৰজা হাউলীত ৪০৯ বছৰীয়া ঐতিহ্য আৰু পৰম্পৰাৰে আজি মহাষ্টমীত মুখমণ্ডলত ৰঙা ৰং বোলোৱা দুৰ্গাদেৱীৰ ৰণচণ্ডী ৰূপৰ বলি-বিধানেৰে পূজা-অৰ্চনা কৰা হয়। **ছিপাঝাৰৰ** বিভিন্ন পূজা মণ্ডপতো প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই জাকজমকতাবিহীনভাৱে দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে। এই সন্দৰ্ভত পূজা আয়োজক সমিতিৰ এগৰাকী সদস্যই এইদৰে কয় –

বাইট

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা অষ্টমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হৈছে। **ধুবুৰী** জিলাৰ বিভিন্ন অঞ্চলত আজি দেৱীক মহাষ্টমীত মহা গৌৰীৰ ৰূপত পূজা কৰা হৈছে। দিনৰ ১ বাজি ২১ মিনিটত সন্ধি পূজা কৰা হ'ব। **বৰপেটা** ৰোডৰ বিভিন্ন পূজাথলীত আজি মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ দক্ষিণ প্ৰান্তৰ দক্ৰেশ্বৰ দেৱালয়, বৰপেটাৰোডৰ দুৰ্গাবাৰী কালীবাৰী পূজা আৰু শিৱবাৰীকে ধৰি বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। হাউলীৰ আনন্দ বজাৰৰ জনকল্যাণ সমিতিৰ পূজা মণ্ডপে এইবাৰ ৰাইজক বিশেষভাৱে আকৰ্ষণ কৰিছে। তেওঁলোকে জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই মণ্ডপ নিৰ্মাণ কৰিছে। **কোকৰাঝাৰ** জিলাৰ অৰ্ধ শতাধিক পূজা মণ্ডপত আজি পৰম্পৰাগত ৰীতি-নীতিৰে মহাষ্টমী পূজা অনুষ্ঠিত হৈছে। সকলো মণ্ডপতে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ ৪৩ খন ঠাইত শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০

দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হয়। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়াইও দিল্লীত ঘটনাৰ অনুসন্ধানৰ বাবে উপস্থিত আছে। জুবিন গাৰ্গৰ আকস্মিক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীয়ে দাখিল কৰা এজাহাৰ সন্দৰ্ভত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি তেওঁ উল্লেখ কৰে।

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। প্ৰয়াত শিল্পীগৰাকীৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গক আজি বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। উল্লেখযোগ্য যে, ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে জুবিন গাৰ্গৰ সৈতে সন্দিপণ গাৰ্গ একেলগে গৈছিল।

ইপিনে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ সদস্যসকলে প্ৰয়াত শিল্পীগৰাকীৰ চিতাভস্ম লৈ আজি যোৰহাটত উপস্থিত হয়। শিল্পীগৰাকীৰ পৰিয়ালৰ পৰা অশ্ৰুসিক্ত নয়নেৰে যোৰহাটৰ ৰাইজে চিতাভস্মখিনি গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত নিশা চিতাভস্মখিনি ৰখা হ'ব। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে। কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ তেওঁ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

প্ৰাণৰ শিল্পীগৰাকীৰ ১৩ দিনীয়া আদ্যশ্ৰাদ্ধ উপলক্ষে যোৰহাট ষ্টেডিয়ামত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভাগৱত পাঠ, দিহানামৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰায় দুহেজাৰ ভকত-বৈষ্ণৱে নাম প্ৰসংগত অংশ ল'ব। ইয়াৰ লগতে বহুসংখ্যক শিল্পীয়ে জুবিন গাৰ্গৰ লাইভ পেইণ্টিং কৰিব।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ খেৰণি ছেংবং লাংছিবো খেলপথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে ৩৩ সংখ্যক জেংখা শাখাৰ কাৰ্বি সাংস্কৃতিক যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। মহোৎসৱত কাৰ্বি সম্প্ৰদায়ৰ ১২টা মাণ্ডলিকৰ পৰা অহা লোকসকলে পৰম্পৰাগত পোচাক পৰিধান কৰি সাংস্কৃতিক শোভাযাত্ৰা উলিয়ায়। কাৰ্বি সম্প্ৰদায়ৰ অধুনালুপ্ত গীতসমূহ সংৰক্ষণৰ ক্ষেত্ৰত মহোৎসৱত গুৰুত্ব প্ৰদান কৰা হয়। যোৱা ২৯ ছেপ্তেম্বৰৰ পৰা অনুষ্ঠিত হোৱা এই মহোৎসৱ অহা ২ অক্টোবৰত সামৰণি পৰিব।

ইপিনে জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ প্ৰতি সন্মান জনাই বিশ্বনাথ জিলাৰ কাৰ্বি সাংস্কৃতিক সমাজে বিহালীৰ ভৰালীজুলিৰ ল'ৰেছাৰপ' বাকৰিত কাইলৈৰপৰা অনুষ্ঠিত হ'বলগীয়া ৩৩ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ পিছুৱাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এটা বিবৃতিযোগে বিশ্বনাথ জিলাৰ কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি যোগেন টেৰনে এই কথা জানিবলৈ দিয়ে। কাৰ্বি সাংস্কৃতিক সমাজৰ প্ৰতিনিধি, জিলা সমিতি আৰু অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াৰ মাজত হোৱা আলোচনাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাইলৈ জনপ্ৰিয় শিল্পীজনৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত কাৰ্বি মহোৎসৱ অক্টোবৰৰ ৩ ৰ পৰা ৫ অক্টোবৰলৈ তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০

অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে প্ৰস্তুত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। অসমীয়া মাধ্যমৰ শিক্ষাৰ্থীৰ সুবিধাৰ বাবে আৰু সকলোৰে সম-সুযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এতিয়াৰে পৰা পৰীক্ষাৰ্থীসকলে নিজৰ ইচ্ছা অনুসাৰে প্ৰাৰম্ভিক পৰীক্ষাৰ মাধ্যম নিৰ্ধাৰণ কৰিব পাৰিব।

০০০০০০০

আই চি চি মহিলা বিশ্বকাপ এদিনীয়া ক্ৰিকেটৰ উদ্বোধনী খেলখন আজি গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হৈছে। বিয়লি ৩ বজাত আৰম্ভ হোৱা খেলখন বৰষুণৰ বাবে দুবাৰকৈ খেলখন বিঘ্নিত হোৱাৰ বাবে ৪৮ অভাৰলৈ সীমিত কৰা হৈছে। টছত জিকি শ্ৰীলংকাই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ..... টা উইকেট হেৰুৱাই ..... অভাৰত ..... ৰান কৰি খেলি আছে।

উদ্বোধনী অনুষ্ঠানত কেইবাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীয়ে সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বলিউদৰ বিশিষ্ট কণ্ঠশিল্পী শ্ৰেয়া ঘোষালে জুবিন গাৰ্গৰ মায়াবিনী গীতটোৰে শ্ৰদ্ধাঞ্জলি জনায়। এই সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয়–

**ভইচ (হেমন্ত বৰা)**

ইপিনে গুৱাহাটীত অনুষ্ঠিত হোৱা খেলখনৰ বাবে আজি যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাই বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০

ধেমাজি জিলাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি জিলা পৰিবহণ বিভাগ আৰু জিলা পথ সুৰক্ষা সমিতিয়ে চিলাপথাৰ নগৰত এলানি বাটৰ নাট প্ৰদৰ্শন কৰি পথ সুৰক্ষাৰ নিৰ্দেশাৱলী জনসাধাৰণক মানি চলিবৰ বাবে সজাগ কৰোৱাৰ প্ৰয়াস চলায়। শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত যাতে কোনো ধৰণৰ পথ দুৰ্ঘটনা যাতে সংঘটিত নহয়, তাৰ প্ৰতি জনসাধাৰণক সচেতন কৰাৰ উদ্দেশ্যেৰে ধেমাজিৰ অন্যতম নাট্যগোষ্ঠী 'থিয়েটাৰি ৰং থিয়েটাৰি ছঙ'ৰ শিল্পীসকলে পৰিৱেশন কৰা বাটৰ নাটে সকলোকে আপ্লুত কৰে।

০০০০০০০

**সমাপ্ত**